**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 1340 Hrs

***Assamese Midday Bulletin***

1. বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা আজিও ব্যাহত হয়।

2. ভাৰতে দেশৰ খেতিয়ক, মীন পালক আৰু দুগ্ধ উৎপাদকসকলৰ স্বাৰ্থৰ সৈতে কেতিয়াও আপোচ নকৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

3. স্মাৰ্ট চিটী অভিযানৰ অধীনৰ মুঠ ৮ হাজাৰ প্ৰকল্পৰ ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈছে।

4. উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ধাৰালি আৰু হৰ্শিলত ডাৱৰ বিস্ফোৰণ আৰু ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে।

5. চীনৰ চেংডুত আজিৰে পৰা ১৭ আগষ্টলৈ হ'বলগীয়া বিশ্ব গেমছ ২০২৫ত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ এটা ১৭ জনীয়া দলে অংশগ্ৰহণ কৰিব। oooo

oooooo

বিৰোধী পক্ষ্যৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও ব্যাহত হয়। কাৰ্যক্ৰমণিকা প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক, ২০২৫ উত্থাপন কৰে। এই বিধেয়কখনৰ জৰিয়তে ২০১৭ চনৰ মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ আইনখনৰ সংশোধন ঘটাব বিচৰা হৈছে। শ্ৰী মতী সীতাৰমনে লগতে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী অধ্যাদেশ, ২০২৫ প্ৰৱৰ্তন কৰি ততালিকে আইন প্ৰণয়নৰ কাৰণৰ বিষয়ে ব্যাখ্যামূলক বিবৃতি সদনৰ বিবেচনাৰ বাবে দাখিল কৰে। ইয়াৰ পাছতে সেইসময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সন্ধ্যা ৰয়ে শূন্যকালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ একাংশ সাংসদে সদনৰ মজিয়ালৈ উঠি যায় আৰু ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আলোচনাৰ দাবী কৰি ধ্বনি দিবলৈ ধৰে। শ্ৰীমতী ৰয়ে কয়, যে চৰকাৰ যিকোনো বিষয়ক লৈ আলোচনা কৰিবলৈ সাজু। তেওঁ লগতে বিৰোধী পক্ষৰ সাংসদসকলক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে বিৰোধী পক্ষৰ সদস্যসকলৰ আচৰণ উচিত নহয় বুলি মন্তব্য কৰে। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে শ্ৰীমতী ৰয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কালৰ কাম আগুৱাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাত বিশেষ বিস্তৃত সংশোধন সম্পৰ্কে আলোচনাৰ দাবী তুলি ধ্বনি দিবলৈ ধৰে। অধ্যক্ষই প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ আৰু সংসদীয় নীতি-নিয়ম তথা গণতন্ত্ৰৰ পৰম্পৰা পালন কৰিবলৈ বাৰে বাৰে অনুৰোধ জনায়। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে স্মাৰ্ট চিটী অভিযানৰ স্থিতি সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰ দিয়ে। মন্ত্ৰী গৰাকীয়ে উত্তৰ দিয়াৰ সময়তো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো আজি অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ১১ বজাত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত উপসভাপতি হৰিবংশে বিভিন্ন ৰাজনৈতিক দলৰ পৰা ভিন ভিন বিষয় লৈ ২৫খন সভাস্থগিতকৰণৰ জাননী লাভ কৰা বুলি জানিবলৈ দিয়ে। তেওঁ লগতে সদন পৰিচালনাৰ নীতি-নিয়মৰ দোহাই দি জাননী কেইখন প্ৰত্যাখ্যান কৰা বুলি প্ৰকাশ কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে ধ্বনি দিবলৈ আৰম্ভ কৰে। উপ-সভাপতিগৰাকীয়ে বিৰোধী পক্ষৰ সদস্যসকলক নিজৰ নিজৰ আসনলৈ ঘূৰি যাবলৈ আৰু সদনৰ কাৰ্যক্ৰমণিকা চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে বৰ্ষাকালীন অধিৰেশনৰ সময়ছোৱাত ইতিমধ্যে ৫১ ঘণ্টাৰো অধিক সময় ৰাজ্যসভাত কাম-কাজ বিঘ্নিত হৈছে। শূন্য কাল আৰু প্ৰশ্নোত্তৰ কালত সদস্যসকলে নিজৰ নিজৰ বিষয় উত্থাপন কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ সদস্যসকলক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপসভাপতিগৰাকীয়ে সদনৰ কাক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

oooooooo

ভাৰতে দেশৰ খেতিয়ক, মীন পালক আৰু দুগ্ধ উৎপাদকসকলৰ স্বাৰ্থৰ সৈতে কেতিয়াও আপোচ নকৰে। নতুন দিল্লীত আজি এম এছ স্বামী নাথন শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে খেতিয়কসকলৰ কল্যাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয়, যে চৰকাৰে খেতিয়কসকলৰ আয় বৃদ্ধি আৰু খেতিৰ ব্যয় হ্ৰাস কৰাৰ বাবে অহৰহ কাম কৰি আছে। চৰকাৰে খেতিয়কসকলৰ শক্তিক ৰাষ্ট্ৰৰ প্ৰগতিৰ আধাৰ ৰূপে স্বীকৃতি প্ৰদান কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত সম্প্ৰতি গাখীৰ, দাইল আৰু মৰাপাট উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ এক নম্বৰ স্থানত আছে। তেওঁ কয়, যে যোৱা বছৰ দেশত সৰ্বাধিক পৰিমাণৰ খাদ্য শস্য উৎপাদন হয়। তেওঁ কয়, যে ড° স্বামীনাথনে খাদ্য উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে বিশেষ আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। শ্ৰী মোদীয়ে কয়, যে স্বামীনাথনে জৈৱ বৈচিত্ৰৰ আগলৈ গৈ জৈৱ আনন্দ দূৰদৰ্শী অৱধাৰণাৰ সূচনা কৰিছিল। কৃষি বিজ্ঞানৰ ক্ষেত্ৰত কৰা অগ্ৰণী কাম-কাজৰ বাবে ড° স্বামীনাথন জনাজাত বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ অৱধাৰণা আৰু দৃষ্টিভংগী দেশৰ কৃষি খণ্ডত আজিও বিদ্যমান। প্ৰধানমন্ত্ৰীয়ে কয়, যে খাদ্য সুৰক্ষাৰ পাছত এতিয়া দেশৰ কৃষি বিজ্ঞানীসকলে সকলোৰে বাবে পৰিপুষ্টি, সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্য লোৱা উচিত। প্ৰতিকূল বতৰতো বাচি থাকিব পৰা আৰু বৰ্ধিত তাপমাত্ৰাৰ মাৰ সহিব পৰা শস্যৰ ন ন প্ৰজাতি বিকশাই তোলাৰ আৱশ্যকতাৰ বিষয়ে শ্ৰী মোদীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ চৰকাৰে প্ৰফেছৰ স্বামীনাথনক ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰাৰ সুযোগ লাভ কৰি গৌৰৱ অনুভৱ কৰিছে। তেওঁ কয়, যে বিগত ১০ বছৰত হস্ত তাঁত খণ্ডই নতুন পৰিচয় লাভ কৰিছে আৰু সমগ্ৰ দেশত খণ্ডটো অধিক শক্তিশালী হৈ উঠিছে।

ooooo

স্মাৰ্ট চিটী অভিযানৰ অধীনৰ মুঠ ৮ হাজাৰ প্ৰকল্পৰ ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। চহৰত বাস কৰা লোকসকলক যাৱতীয় সেৱা, উন্নত আন্তঃগাঁথনি আৰু বহনক্ষম সমাধান প্ৰদানৰ জৰিয়তে তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্যৰে ২০১৫ চনত এই অভিযান আৰম্ভ কৰা হৈছিল। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে এই কথা প্ৰকাশ কৰি কয়, যে ১ লাখ ৫৩ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৭ হাজাৰ ৩৩৬

টা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হৈছে। তেওঁ লগতে ১০০ খন স্মাৰ্ট চিটীত সংহত কমাণ্ড আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলিও প্ৰকাশ কৰে।

০০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ধাৰালি আৰু হৰ্শিলত ডাৱৰ বিস্ফোৰণ আৰু ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত আজি তৃতীয় দিনাও উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। সেনা, আৰক্ষী, এন ডি আৰ এফ, এছ ডি আৰ এফ, আই টি বি পি আৰু নাগৰিক প্ৰশাসনৰ ৫১৮ জন কৰ্মী সক্ৰিয়ভাৱে এই উদ্ধাৰ কাৰ্যত নিয়োজিত হৈ থকাৰ লগতে অতিৰিক্ত ৮১৪ জনক সাহায্য প্ৰদানত সহায়ৰ বাবে সাজু কৰি ৰখা হৈছে। আজি পুৱাৰে পৰা বতৰ ফৰকাল হৈ থকাৰ বাবে বিমানেৰে উদ্ধাৰ অভিযান পূৰ্ণ গতিত চলোৱা হৈছে। এন ডি আৰ এফৰ কামাণ্ডাৰ গম্ভীৰ সিং চৌহানে কয়, যে প্ৰাৰম্ভিক অৱস্থাত ক্ষতিগ্ৰস্ত পথেৰে উদ্ধাৰকাৰী দলসমূহ প্ৰভাৱিত এলেকাসমূহত উপস্থিত হোৱাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল, কিন্তু কালি ৩৫ জন লোকক বিমানেৰে ধাৰালিলৈ লৈ যোৱা হয়। ইয়াৰ ফলত এই অঞ্চলসমূহত আৱদ্ধ হৈ পৰা লোকসকলক উদ্ধাৰ কৰি বিমানেৰে স্থানান্তৰিত কৰাটো সম্ভৱ হৈ পৰিছে বুলি শ্ৰী চৌহানে প্ৰকাশ কৰে। ধাৰালিৰ পৰা এই লোকসকলক হেলিকপ্তাৰেৰে মাটলি হেলিপেডলৈ লৈ যোৱা হৈছে।

উদ্ধাৰ অভিযানত চিনুক, এম আই 17, ALH আৰু চিতা হেলিকপ্টাৰ ব্যৱহাৰ কৰা হৈছে। উত্তৰাখণ্ড বিমান পৰিবহণ উন্নয়ন প্ৰাধিকৰণৰ ছখন হেলিকপ্তাৰেৰেও উদ্ধাৰ কাৰ্য চলাই থকা হৈছে। গংগোত্ৰীত আৱদ্ধ হৈ থকা প্ৰায় ৪০০ লোকক হৰ্শিললৈ অনা হৈছে আৰু ইয়াৰ পৰা বিমানেৰে তেওঁলোকক নিৰাপদ ঠাইলৈ লৈ যোৱা হ'ব।

ইপিনে, এই দুৰ্যোগত ৫০ জনৰো অধিক লোক সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে। ইয়াৰ ভিতৰত এজন জে চি অ' আৰু ৮ জন সেনা বাহিনীৰ জোৱান আছে। ৯ জন জোৱান আৰু তিনিজন অসামৰিক লোকক উদ্ধাৰ কৰি বিমানেৰে ডেৰাডুনলৈ লৈ যোৱাৰ বিপৰীতে তিনিজন গুৰুতৰভাৱে আহত লোকক এইমছ ঋষিকেশলৈ প্ৰেৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে আজি পুৱা মটলি হেলিপেডত উপস্থিত হৈ ধাৰালিৰ পৰা উদ্ধাৰ কৰা লোকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

০০০০০

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত নিগম লিমিটেডে আজি গুৱাহাটীৰ হস্তশিল্প প্ৰসাৰ আৰু অভিজ্ঞতা কেন্দ্ৰত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। অসমৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে হস্ততাঁতজাত সামগ্ৰীসমূহ আমাৰ পৰিচয় আৰু ৰাষ্ট্ৰৰ গৌৰৱ। দেশৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু শিল্পী, কলা-

কুশলীসকলৰ বাবে মৰ্যাদাপূৰ্ণ জীৱন সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

অসমৰ হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই ৰাজ্যবাসীক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

চীনৰ চেংডুত আজিৰে পৰা ১৭ আগষ্টলৈ হ'বলগীয়া বিশ্ব গেমছ ২০২৫ত ভাৰতৰ এটা ১৭ জনীয়া দলে অংশগ্ৰহণ কৰিব। ১৯৮১ চনৰ পৰা প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত বিশ্ব গেমছত অলিম্পিকত চামিল নোহোৱা ক্ৰীড়াসমূহ অন্তৰ্ভুক্ত কৰা হয়। এইবাৰৰ সংস্কৰণত খেলুৱৈসকলে ৩৪ বিধ খেল আৰু ৬০টা শিতানৰ ২৫৩টা পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ভাৰতে ১৯৮১ চনৰ উদ্বোধনী সংস্কৰণৰ পৰাই বিশ্ব গেমছত অংশগ্ৰহণ কৰি বৰ্তমানলৈকে মুঠ ৫টা পদক লাভ কৰিছে। ইয়াৰ ভিতৰত এটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক আছে। আদিত্য মেহতাই ২০১৩ চনত বিলিয়াৰ্ডছত দেশৰ হকে একমাত্ৰ সোণৰ পদকটো লাভ কৰিছিল।

ভাৰতে এইবাৰ আৰ্চাৰী, বিলায়াৰ্ডছ, ৰোলাৰ্ছ স্কেটিং, উশ্বু আৰু ৰেকেট বল এই পাঁচটা শিতানত অংশগ্ৰহণ কৰিব। ভাৰতীয় দলটোৱে এইবাৰ উন্নত প্ৰদৰ্শনৰ বাবে চেষ্টা কৰিব।

০০০০০

সমাপ্ত

Golaghat Eviction/RNU (07.08.25) Midday

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। আৰক্ষী, বন বিভাগৰ লোকে কালি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। কালি প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰীবিল অঞ্চল খালী কৰাৰ বাবে অন্তিমবাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে, নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলত ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিয়ে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে।

ইপিনে, উত্তৰ-পূব ছাত্ৰ সংগঠন অৰ্থাৎ নেছৱে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ পৰা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ দাবী জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ সমৰ্থন আগবঢ়াইছে। কালি গুৱাহাটীত অনুষ্ঠিত সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত জনসংখ্যা বৃদ্ধিৰ কাৰণ বিচাৰি উলিয়াবলৈ নেছৱে আটাইকেইখন ৰাজ্যৰ চৰকাৰৰ বিশেষ পৰ্যালোচনা সমিতি গঠন কৰিবলৈ দাবী জনাব। বৈঠকৰ পাছত হোৱা সংবাদমেলত নেছৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যত বনভূমিত উচ্ছেদ হ'ব লাগে বুলি উল্লেখ কৰি থলুৱা লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

00000

RADIO QUIZ/RNU (07-08-2025) MNG.

ভাৰতীয় প্ৰচাৰণ সেৱাৰ ৯০ বছৰ : আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰাহলয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে যুৱবাণী শাখাৰ দ্বাৰা বিশেষ কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা চাৰে ন বজাৰ পৰা "আকাশবাণীৰ ৯০ বছৰ" শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। প্ৰতিটো দলত দুজনকৈ সদস্য থাকিব লাগিব। দলৰ সদস্য সকল একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। আনহাতে, কাইলৈ দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা,ঘটনা-পৰিঘটনাক সামৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মাধ্যম - অসমীয়া। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। পঞ্জীয়ন তথা সবিশেষ জানিবলৈ আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR Guwahati চাব পাৰে, অথবা আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সৈতে যোগাযোগ কৰিব পাৰে। কাইলৈ সন্ধ্যা চাৰে পাঁচ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব বুলি আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান সমূহৰ মুৰব্বী তথা সহকাৰী সঞ্চালক কৰ্ডেলিন থ্যানখিউৰে জানিবলৈ দিছে।

ooooooo

DRISTIPAT / RNU (07-08-2025) MIDDAY

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ – Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে

অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325। ০০০০

**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 07-08-2025** **Time : 0755 Hrs**

## Assamese Morning Bulletin

**Edited By :**
Puja Rajkumari

**Read By :**
Marami Kashyap

**Std. By :**
Arunima Goswami

**DTP :**
Sanjit & Swapan

**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হৈছে। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই ৰাজ্যবাসীক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক আজি সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰা হ'ব। সন্ত কবিৰ বঁটাত ৩ লাখ ৫০ হাজাৰ টকা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাত ২ লাখ টকা প্ৰদান কৰা হ'ব। নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া একাদশ সংখ্যক হস্ততাঁত দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব। দেশৰ প্ৰায় ৬৫০ গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰিব। বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব। উল্লেখযোগ্য যে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ হোৱা স্বদেশী আন্দোলনে থলুৱা উদ্যোগ আৰু বিশেষকৈ তাঁতশিল্পক উৎসাহিত কৰিছিল। দেশৰ আৰ্থসামাজিক উন্নয়নত হস্ততাঁত বয়ন শিল্পৰ অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ২০১৫ চনৰ পৰা ৭ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক বয়ন শিল্পই গ্ৰামাঞ্চলৰ বহু লোকক আৰ্থিকভাৱে সবল কৰি তোলাত প্ৰত্যক্ষভাৱে সহায় কৰি আহিছে।

০০০০০০

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। আৰক্ষী, বন বিভাগৰ লোকে কালি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। কালি প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰীবিল অঞ্চল খালী কৰাৰ বাবে অন্তিমবাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে, নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলত ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিয়ে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে। ইপিনে, উত্তৰ-পূব ছাত্ৰ সংগঠন অৰ্থাৎ নেছৰে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ পৰা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ দাবী জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ সমৰ্থন আগবঢ়াইছে। কালি গুৱাহাটীত অনুষ্ঠিত সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত জনসংখ্যা বৃদ্ধিৰ কাৰণ বিচাৰি উলিয়াবলৈ নেছৰে আটাইকেইখন ৰাজ্যৰ চৰকাৰৰ বিশেষ পৰ্যালোচনা সমিতি গঠন কৰিবলৈ দাবী জনাব। বৈঠকৰ পাছত হোৱা সংবাদমেলত নেছৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যত

বনভূমিত উচ্ছেদ হ'ব লাগে বুলি উল্লেখ কৰি থলুৱা লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

00000

ভাৰতীয় প্ৰচাৰণ সেৱাৰ ৯০ বছৰ : আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰাহলয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে যুৱবাণী শাখাৰ দ্বাৰা বিশেষ কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা চাৰে ন বজাৰ পৰা "আকাশবাণীৰ ৯০ বছৰ" শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। প্ৰতিটো দলত দুজনকৈ সদস্য থাকিব লাগিব। দলৰ সদস্য সকল একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। আনহাতে, কাইলৈ দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা,ঘটনা-পৰিঘটনাক সামৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মাধ্যম - অসমীয়া। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। পঞ্জীয়ন তথা সবিশেষ জানিবলৈ আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR Guwahati চাব পাৰে, অথবা আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সৈতে যোগাযোগ কৰিব পাৰে। কাইলৈ সন্ধ্যা চাৰে পাঁচ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব বুলি আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান সমূহৰ মুৰব্বী তথা সহকাৰী সঞ্চালক কৰ্ডেলিন থ্যানখ্যিউৱে জানিবলৈ দিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ – Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত

আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325। oooooooo

Assamese Morning Bulletin 0755 HRS. 07-08-2025

Assamese Morning Bulletin 0900 HRS. 07-08-2025

29

22

7

5

8